**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পাকিস্তানে সন্ত্ৰাসবাদক সমৰ্থন কৰি থকালৈকে দেশখনৰ সৈতে সিন্ধু জল চুক্তি স্থগিত থাকিব বুলি ভাৰতে দোহাৰিছে।
২। অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মনোনয়ন পত্ৰ দাখিল কৰে।
৩। ইৰানবাসীয়ে পাৰ্চী নতুন বছৰ নাওৰুজ উদযাপন কৰাৰ সময়তে ইজৰাইলে আজি তেহৰানত বিমানেৰে বোমা বৰ্ষণ কৰে।
৪। বিশ্বজুৰি আজি বিশ্ব ঘৰচিৰিকা দিৱস উদযাপন কৰা হৈছে।

আৰু

৫। ফ্ৰান্সত চলি থকা অৰলিয়াঞ্চ মাষ্টাৰ্ছৰ কোৱাৰ্টাৰ ফাইনেলত আজি ভাৰতীয় শ্বাটলাৰসকল অৱতীৰ্ণ হ'ব।

0000000

পাকিস্তানে সন্ত্ৰাসবাদক সমৰ্থন কৰি থকালৈকে দেশখনৰ সৈতে সিন্ধু জল চুক্তি স্থগিত থাকিব বুলি ভাৰতে দোহাৰিছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি পি হৰিশে কৈছে যে চুক্তি সন্দৰ্ভত উদ্বিগ্নতা ব্যক্ত কৰাৰ পূৰ্বে পাকিস্তানে মানৱ জীৱনৰ পৱিত্ৰতা বৰ্তাই ৰখা উচিত। বিশ্ব জল দিৱস উপলক্ষে ৰাষ্ট্ৰসংঘত আয়োজিত এটা অনুষ্ঠানত ভাষণ দি তেওঁ পাকিস্তানক সন্ত্ৰাসবাদৰ গোলকীয় অভিকেন্দ্ৰ বুলি অভিহিত কৰে। শ্ৰীহৰিশে কয় যে ভাৰতে ১৯৬০ চনত গভীৰ আস্থাৰে সিন্ধু জল চুক্তিত স্বাক্ষৰ কৰিছিল যদিও পাকিস্তানে যুদ্ধ আৰু সন্ত্ৰাসবাদী আক্ৰমণেৰে ইয়াক দুৰ্বল কৰি তুলিলে। যোৱা বৰ্ষৰ ঘৃণনীয় পেহেলগাম আক্ৰমণৰ পাছতেই ভাৰতে এই চুক্তি স্থগিত ৰাখিছিল। হৰিশে লগতে কয় যে প্ৰযুক্তিগত আৰু পাৰিবেশিক সালসলনিৰ পৰিপ্ৰেক্ষিতত চুক্তিখনৰ উত্তৰণ সন্দৰ্ভত আলোচনা কৰিবলৈ ভাৰতে কৰা প্ৰয়াসক পাকিস্তানে নস্যাৎ কৰিছে।

0000000

অসমৰ বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিৰ জালুকবাৰী সমষ্টিৰ প্ৰাৰ্থী হিচাপে আজি মহা সমাৰোহেৰে বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মনোনয়ন পত্ৰ দাখিল কৰিবলৈ ৰাওনা হৈছে। প্ৰতিকূল বতৰকো নেওচি ডং শৰ্মাৰ মনোনয়ন পত্ৰ দাখিলৰ সমদলত সমষ্টিৰ হাজাৰ হাজাৰ লোকে অংশগ্ৰহণ কৰিছে। ইফালে জাগীৰোড সমষ্টিৰ বিজেপি প্ৰাৰ্থী তথা মন্ত্ৰী পীযুষ হাজৰিকাই আজি মনোনয়ন পত্ৰ দাখিল কৰে।

00000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি উত্তৰ প্ৰদেশৰ বৃন্দাবনত ৰামকৃষ্ণ মিছন সেৱাশ্ৰম হস্পিতালৰ নন্দকিশোৰ সোমানি কৰ্কট ৰোগ চিকিৎসাৰ নতুন ভৱন উদ্বোধন কৰে। এই নতুন উদ্যোগে অঞ্চলটোৰ

কৰ্কট ৰোগ চিকিৎসাৰ ক্ষেত্ৰত সুদূৰপ্ৰসাৰি প্ৰভাৱ পেলাব। এই চিকিৎসা কেন্দ্ৰত অত্যাধুনিক ৰেডিঅ' থেৰাপি আৰু বিভিন্ন পৰীক্ষা-নিৰীক্ষাৰ সা-সুবিধা আছে।

ৰাষ্ট্ৰপতিগৰাকী তিনিদিনীয়া ভ্ৰমণসূচীৰে কালি উত্তৰ প্ৰদেশত উপস্থিত হয়। আজি পুৱা শ্ৰীমতী মুৰ্মুৱে প্ৰেমানন্দ মহাৰাজ আশ্ৰম পৰিদৰ্শন কৰে। তেওঁ বৃন্দাবনত নীব কাড়ৰি বাবাৰ সমাধিস্থল পৰিদৰ্শন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সন্ধিয়া ৰাষ্ট্ৰপতি মুৰ্মুৱে বয়স্ক লোক, মহিলা আৰু শিশুৰ যত্নৰ প্ৰতি উৎসৰ্গিত কল্যাণ সংস্থা বাৎসল্য গ্ৰাম পৰিদৰ্শন কৰিব।

OOOOOOOOO

দুদিনীয়া ভ্ৰমণসূচীৰে উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈ মহাৰাষ্ট্ৰলৈ ৰাওনা হ'ব। এই ভ্ৰমণৰ প্ৰথম দিনা উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে নাগপুৰত ইণ্ডিয়ান য়ুথ পাৰ্লিয়ামেণ্টৰ ২৯ সংখ্যক ৰাষ্ট্ৰীয় সত্ৰৰ উদ্বোধনী অনুষ্ঠানত অংশ ল'ব। সিদিনা তেওঁ ৰতন টাটা মহাৰাষ্ট্ৰ ৰাজ্যিক দক্ষতা বিশ্ববিদ্যালয়ৰ প্ৰথম সমাৱৰ্তনত অংশগ্ৰহণ কৰিব আৰু মুম্বাইত ৬৪ সংখ্যক জৈন দীক্ষা সমাৰোহত অংশগ্ৰহণ কৰিব। দ্বিতীয় দিনা তেওঁ পুণেৰ নিচাৰ গোপাচাৰ আশ্ৰমৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশ ল'ব।

OOOOOOOOO

ইৰানবাসীয়ে পাৰ্চী নতুন বছৰ নাওৰুজ উদযাপন কৰাৰ সময়তে ইজৰাইলে আজি তেহৰানত বিমানেৰে বোমা বৰ্ষণ কৰে। ইৰানৰ ৰাজধানী মহানগৰখনত কেইবাটাও বিস্ফোৰণৰ শব্দ শুনা যায়। ইজৰাইলে ইৰানৰ সৰ্ববৃহৎ গেছ কেন্দ্ৰত আক্ৰমণ কৰাৰ পাছতে ইৰানেও উপ-সাগৰীয় দেশসমূহৰ শক্তি কেন্দ্ৰসমূহক আক্ৰমণৰ লক্ষ্য কৰি লয়।

আজি পুৱা ডুবাইতো বিস্ফোৰণৰ শব্দ শুনা যায়। ইৰানে ইজৰাইলক লক্ষ্য কৰি ক্ষেপনাস্ত্ৰৰ নিক্ষেপ অব্যাহত ৰাখিছে। আনহাতে, হাইফাৰ পৰা গেলিলিলৈকে আৰু লেবানন সীমান্ততো বিপদ সংকেতৰ ধ্বনি শুনা গৈছে।

ৰাষ্ট্ৰসংঘত কালি নিৰাপত্তা পৰিষদৰ এখন জৰুৰী বৈঠক অনুষ্ঠিতদ হয়। এই বৈঠকত উপ-সাগৰীয় দেশসমূহে ইৰানক আক্ৰমণ বন্ধ কৰিবলৈ দাবী জনায়। তৎসত্ত্বেও সমগ্ৰ অঞ্চলটোত ইৰানৰ আক্ৰমণ অব্যাহত আছে। চৌদি আৰব, কাটাৰ, ৰেইট, সংযুক্ত আৰৱ আমিৰ শ্বাহী আদি ৰাষ্ট্ৰৰ তেল-গেছ কেন্দ্ৰসমূহক ইৰানে আক্ৰমণৰ লক্ষ্য কৰি লৈছে। লগতে দেশখনে সমীপৱৰ্তী সাগৰত থকা জাহাজসমূহক আক্ৰমণ কৰিছে। সংযুক্ত আৰৱ-আমিৰ শ্বাহী প্ৰশাসনে প্ৰকাশ ৰা অনুসৰি দেশখনে লেবাননৰ সন্ত্ৰাসবাদী সংগঠন হিজবুল্লা আৰু ইৰানৰ যোগাযোগ বিচ্ছিন্ন কৰিছে।

OOOOOOOOO

পাৰ্চী নৱবৰ্ষ নাওৰুজ আৰু ইছলামসকলৰ পৱিত্ৰ উৎসৱ ঈদ-উল-ফিতৰ আজি সমগ্ৰ পশ্চিম এছিয়াত উদযাপন কৰা হৈছে। কিন্তু অঞ্চলটোৰ সংঘাতময় পৰিস্থিতি আৰু শক্তি পৰিকাঠামোত ধাৰাবাহিক আক্ৰমণৰ বাবে এই দুয়োটা উৎসৱ উদযাপনত ব্যাঘাত জন্মিছে। অঞ্চলটো বিগত ৪৮ ঘণ্টাত অধিক উত্তপ্ত হৈ উঠিছে। সামৰিক ঘাটিসমূহৰ পৰিৱৰ্তে এতিয়া প্ৰত্যক্ষভাৱে অৰ্থনৈতিক পৰিকাঠামোক আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। চৌদি আৰৱে দেশখনৰ পূব অংশত ড্ৰোন আক্ৰমণ প্ৰতিহত কৰাৰ বিপৰীতে বাহৰেইনে ক্ষেপণাস্ত্ৰ আক্ৰমণ হোৱাটো নিশ্চিত কৰিছে। বাতৰি অনুসৰি সামৰিক অভিযানৰ মাজতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন F-35 যুদ্ধ বিমানে জৰুৰী অৱতৰণ কৰিবলগীয়া হয়।

ভইচকাষ্ট

মধ্যপ্ৰাচ্যৰ পৰিস্থিতিয়ে সম্প্ৰতি শক্তি যোগান আৰু অসামৰিক লোকৰ জীৱনত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলাইছে। কুৱেইটত আজি পুৱা মিনা অল-আহমদী আৰু মিনা আব্দুল্লা তেল শোধনাগাৰত ড্ৰোন-ক্ষেপণাস্ত্ৰৰ আক্ৰমণ চলে। এই ঘটনাত শোধনাগাৰ দুটাত জুই জ্বলি উঠে। প্ৰশাসনে পাছত প্ৰকাশ কৰে যে জুই কিছু সময়ৰ পাছতে নিয়ন্ত্ৰণলৈ অনা হয় আৰু শোধনাগাৰ দুটাৰ সামান্য ক্ষয়-ক্ষতি হয়।

লেবাননত সংঘাতে জটিল ৰূপ লৈছে। ইজৰাইলে লিটানি নদীৰ দক্ষিণপাৰে স্থল অভিযান চলোৱাৰ বিপৰীতে দেশখনৰ ৰাজধানী বেইৰুটৰ বিভিন্ন স্থানত বিমানেৰে বোমা বৰ্ষণ কৰে। লেবাননত ইজৰাইল বাহিনীয়ে চলোৱা অভিযানত কমেও ১০ লাখ লোক স্থানচ্যুত হৈছে আৰু হতাহতৰ সংখ্যাও বৃদ্ধি হৈছে।

ইৰানৰ নতুন আক্ৰমণৰ পৰিপ্ৰেক্ষিতত ইজৰাইলত যোৱানিশা অবিৰত বিপদ সংকেত ধ্বনি শুনা যায়। ইৰানৰ ক্ষেপণাস্ত্ৰই ইজৰাইলৰ ঘৰুৱা তেল উৎপাদনৰ অন্যতম প্ৰধান কেন্দ্ৰ হাইফাৰ তেল শোধনাগাৰত আঘাত হানে।

সমগ্ৰ উপসাগৰীয় অঞ্চলত শক্তি পৰিকাঠামো সম্প্ৰতি গভীৰ চাপৰ সন্মুখীন হৈছে। কাটাৰৰ ৰাছ লাফানত বিস্তৰ ক্ষতি হৈছে। ইয়াৰ ফলত বিশ্বজুৰি জুলীয়া প্ৰাকৃতিক গেছ, এল এন জিৰ ৰপ্তানিত বিৰূপ প্ৰভাৱ পৰিব বুলি কাটাৰ প্ৰশাসনে ইংগিত দিছে। সংযুক্ত আৰব আমিৰ শ্বাহীতো হাবশ্বান গেছ কেন্দ্ৰ আৰু বেব তেল ক্ষেত্ৰ ক্ষেপণাস্ত্ৰ আক্ৰমণৰ পাছত সাময়িকভাৱে বন্ধ ৰখা হৈছে। আনহাতে, হৰমুজ প্ৰণালী এতিয়াও বন্ধ হৈ থকাত বিশ্বৰ বিভিন্ন দেশলৈ তেল আৰু গেছ সৰবৰাহ বাধাপ্ৰাপ্ত হৈ আছে।

০০০০০০০

বিশ্বজুৰি আজি বিশ্ব ঘৰচিৰিকা দিৱস উদযাপন কৰা হৈছে। দ্ৰুতগতিত হ্ৰাস পাবলৈ ধৰা ঘৰচিৰিকাৰ সংখ্যা সন্দৰ্ভত সজাগতা বিয়পাবলৈ প্ৰতি বছৰে আজিৰ দিনটো এই দিৱস উদযাপন কৰা হয়। ২০১০ চনৰ পৰা নেচাৰ ফৰ-এভাৰ ছ'চাইটী অব ইণ্ডিয়াৰ উদ্যোগত আৰু ইকো-চাইছ এক্সন ফাউণ্ডেচনৰ সহযোগত বিশ্ব ঘৰচিৰিকা দিৱস উদযাপন কৰা হৈছে।

০০০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় এইডছ নিয়ন্ত্ৰণ সংস্থা নাকোৰ জৰিয়তে এইডছ ৰোগৰ প্ৰাদুৰ্ভাৱ দূৰ কৰিবলৈ জিলাভিত্তিক সঁহাৰি শক্তিশালী কৰিবলৈ দিল্লীত আজি সুৰক্ষা সংকল্প কাৰ্যশালা অনুষ্ঠিত কৰে। নাকোৰ সঞ্চালক প্ৰধান ড০ ৰাকেশ গুপ্তাই কৰ্মশালাৰ অধ্যক্ষতা কৰি কয় যে এইডছ বৰ্তমান এক ৰাজহুৱা স্বাস্থ্যৰ প্ৰতি প্ৰত্যাহ্বান হৈ আছে আৰু ইয়াৰ বাবে নিৰীক্ষণ উদ্ভাৱন আৰু চৰকাৰৰ সকলো স্তৰৰ সমন্বয়েৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতা আছে। ড০ গুপ্তাই লগতে ২০২৭ চনৰ বিশ্ব এইডছ দিৱসত এইডছক নিয়ন্ত্ৰিত ঘোষণা কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতাক দোহাৰে আৰু এক ৰোডমেপ মুকলি কৰে।

০০০০০০০০০

ৰাষ্ট্ৰসংঘই প্ৰকাশ কৰা ৱৰ্ল্ড হেপীনেছ ৰিপোৰ্ট ২০২৬ অনুসৰি বিশ্বৰ সুখী দেশৰ তালিকাত ১৪৭খন দেশৰ ভিতৰত ভাৰতে ১১৬ সংখ্যক স্থান লাভ কৰিছে। বিগত বৰ্ষত ভাৰত এই তালিকাৰ ১১৮ সংখ্যক স্থানত আছিল। একেৰাহে নৱম বাৰৰ বাবে ফিনলেণ্ড এই তালিকাৰ শীৰ্ষস্থানত আছে। ইংৰাজী ভাষী কোনো দেশে এই তালিকাৰ প্ৰথম ১০টা স্থান অধিকাৰ কৰিবলৈ সক্ষম হোৱা নাই। আফগানিস্তানে এই তালিকাত অন্তিম স্থান লাভ কৰিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ৰাণী অৱন্তিবাঈ লোধিক তেওঁৰ জন্ম দিৱসত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। শ্ৰী শ্বাহে ৰাণী অৱন্তিবাঈৰ জীৱন সাহস ত্যাগ আৰু দেশপ্ৰেমৰ উৎকৃষ্ট উদাহৰণ বুলি প্ৰকাশ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে ১৮৫৭ চনত ৰাণী অৱন্তিবাঈ লোধি ব্ৰিটিছ শাসনৰ বিৰুদ্ধে থিয় হৈছিল আৰু আত্মসমৰ্পণ নকৰি সাহসেৰে মৃত্যুবৰণ কৰিছিল। ৰাণীগৰাকীৰ ত্যাগে দেশৰ প্ৰতি নিষ্ঠা আৰু আত্মসন্মানৰ অমৰ বাৰ্তা দি গৈছে বুলি শ্ৰী শ্বাহে উল্লেখ কৰে।

000000000

ফ্ৰান্সত চলি থকা অৰলিয়ান্স মাষ্টাৰ্ছৰ কেইবাখনো গুৰুত্বপূৰ্ণ কোৱাৰ্টাৰ ফাইনেল খেলত ভাৰতীয় শ্বাটলাৰসকল আজি অৱতীৰ্ণ হ'ব। মহিলাৰ ছিংগলছত সন্ধিয়া চাৰে পাঁচ বজাৰ পৰা ভাৰতৰ তন্‌বী শৰ্মাই জাপানৰ নাটচুকি নিদাইদাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইফালে, দুই ভাৰতীয় প্ৰতিদ্বন্দ্বী মালবিকা বানছুদে অসম সন্তান ঈশাৰাণী বৰুৱাৰ বিৰুদ্ধে সন্ধিয়া চাৰে ৭ বজাত অৱতীৰ্ণ হ'ব। বৰুৱাই ৰেন ইউ ঝাঙক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। পুৰুষৰ ডাবলছত সন্ধিয়া ভাৰতৰ এ আৰ অৰ্জুন আৰু হৰিহৰণ আমছাকাৰ উনানে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষৰ ছিংগলছত ভাৰতৰ কিদাম্বি শ্ৰীকান্তে প্ৰথম ৰাউণ্ডত আৰু আয়ুষ চেট্টীয়ে দ্বিতীয় ৰাউণ্ডত পৰাস্ত হৈছে।

000000000

সমাপ্ত